**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-03-2025
**Time :** 1205  Hrs

***Assamese Midday Bulletin***
---------------------

আজি আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস। এই দিনটোতে ৰাষ্ট্ৰীয়, জাতিগত, ভাষিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক সীমাৰ পৰিধি নেওচি মহিলাসকলক তেওঁলোকৰ সাফল্যৰ বাবে সন্মান জনোৱা হয়। এই বছৰৰ আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ বিষয়বস্তু হৈছে- সকলো মহিলা আৰু কিশোৰীৰ বাবে ঃ অধিকাৰ, সমতা, সবলীকৰণ। এই বিষয়বস্তুৰ জৰিয়তে প্ৰতিগৰাকী মহিলাৰ বাবে সমঅধিকাৰ, ক্ষমতা আৰু সুযোগ-সুবিধা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ পোষকতা কৰা হৈছে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত এই দিৱস উপলক্ষে আজি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মাজুলী জিলা মহিলা সমিতি আৰু আইন সাহায্য কোষৰ উদ্যোগত বনগাঁও আঞ্চলিক মহিলা সমিতিৰ সহযোগত পূব মাজুলীৰ বনগাঁৱত আজি দিনজোৱা কাৰ্যসূচীৰে আন্তৰ্জাতিক নাৰী দিৱস পালন কৰা হৈছে।

বাক্সা জিলাৰ জালাহ লক্ষ্মী মন্দিৰ প্ৰাংগণত আজি তৃণয়ন যোগ কেন্দ্ৰৰ উদ্যোগত আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে পুৱা ৬ বজাত ৰাষ্ট্ৰীয় বঁটা প্ৰাপক খেলুৱৈ ঊষা নাথৰ পৰিচালনাত যোগাভ্যাস কৰা হয়। ইয়াৰ পাছত এখন আলোচনা সভা আয়োজন কৰা হয়।

ওদালগুৰি জিলাৰ বৰঙাজুলি চাহ বাগিচাতো আদিবাসী মহিলাসকলৰ মাজত আজি আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপন কৰা হৈছে। আন্তৰ্জাতিক নাৰী দিৱসৰ পতাকা উত্তোলন কৰি অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে নাৰী সমাজৰ সমঅধিকাৰ, সমকল্যাণ আৰু সম্ভাৱনাৰ সুন্দৰ ভৱিষ্যতৰ বাবে মহিলাসকলক শুভেচ্ছা জনায়।

০০০০০০

আকাশবাণী বাতৰি বিভাগে আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস কিছু ব্যতিক্ৰমীভাৱে উদযাপন কৰিছে। সেই অনুসৰি কালি মাজনিশাৰে পৰা আজি সমগ্ৰ দিনটোৰ হিন্দী আৰু ইংৰাজী ভাষাৰ বাতৰি মহিলা পৰিবেশকসকলৰ দ্বাৰা পৰিবেশনৰ দিহা কৰা হৈছে।

আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিভিন্ন প্ৰত্যাহ্বানৰ মাজেৰে কৰ্মক্ষেত্ৰত সফলতাৰে আগবাঢ়ি যোৱা তিনিগৰাকী নাৰীয়ে তেওঁলোকৰ অভিমত ব্যক্ত কৰিব। অনুষ্ঠানটোৰ আঁত ধৰিব আকাশবাণী বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। ইয়াৰ উপৰি বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত আন্তৰ্জাতিক নাৰী দিৱস সম্পৰ্কত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব।

আকাশবাণী গুৱাহাটী কেন্দ্ৰত আজি আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে এখন সভা আয়োজন কৰা হয়। এই সভাত মহিলা অনুষ্ঠান পৰিবেশক, বাতৰি পৰিবেশক তথা মহিলা কৰ্মচাৰীসকলক কেন্দ্ৰটোৰ পুৰুষ সহকৰ্মী

আৰু কৰ্তৃপক্ষই সকলোকে একোপাহ ফুলেৰে আদৰণি জনায়। অনুষ্ঠানত বি বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড০ জয়শ্ৰী বৰঠাকুৰ আৰু কটন বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ অকুণ্ঠিতা বৰঠাকুৰ উপস্থিত থাকে। লেখিকা তথা আকাশবাণী গুৱাহাটীৰ শ্ৰোতা বকুলী বৈশ্য আৰু সবিতা কলিতাও এই অনুষ্ঠানত উপস্থিত থাকে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অনুষ্ঠানসমূহৰ মুৰব্বী কৰ্ডলীনা থেংকিউৱে সভাত আদৰণি ভাষণেৰে সকলোকে শুভেচ্ছা জনায়।

আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰইও আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আজি নাৰী অধিকাৰ আৰু সৱলীকৰণ সন্দৰ্ভত এলানি বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিছে। এই উদ্দেশ্যে আজি পুৱা চাৰে সাত বজাৰ পৰা নিশা দহ বজালৈকে প্ৰচাৰ হ'বলগীয়া অনুষ্ঠানসমূহত মহিলা বিষয়ক আলোচনা প্ৰচাৰৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০

ৰাজ্যৰ খিলঞ্জীয়া-জনজাতীয় বিশ্বাস আৰু সংস্কৃতিৰ সুৰক্ষা, সংৰক্ষণ তথা প্ৰসাৰৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে কেতবোৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপে ছটা খিলঞ্জীয়া-জনজাতীয় বিশ্বাস আৰু সংস্কৃতিৰ অনুষ্ঠানৰ বাবে কাইলৈ ১০ লাখ টকাকৈ দ্বিতীয় কিস্তিৰ ধন আদায় দিয়া হ'ব। ইয়াৰ বাবে কাইলৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। একেটা অনুষ্ঠানতেই গুৱাহাটীৰ গড়চুকত থকা সদৌ বাথৌ মহাসভালৈ ৫ কোটি ৫০ লাখ টকা, ১৯৮ খন খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাসৰ উপাসনাস্থলীৰ বাবে ৫ লাখ টকাকৈ আৰু ৩৬ খন খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাসৰ উপাসনাস্থলীৰ বাবে দ্বিতীয় কিস্তিৰ অধীনত ৫ লাখ টকাকৈ প্ৰদান কৰা হ'ব। এই আৰ্থিক সাহায্য প্ৰদান অনুষ্ঠানত শিক্ষা আৰু ভৈয়াম জনজাতি পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ লগতে খিলঞ্জীয়া তথা জনজাতি বিশ্বাস আৰু সংস্কৃতি বিভাগৰ মন্ত্ৰী যোগেন মহন উপস্থিত থকাৰ কথা আছে।

০০০০০০০

নিৰ্বাচন আয়োগে নকল ভোটদাতা ফটো পৰিচয় পত্ৰ অৰ্থাৎ ই পি আই চি নম্বৰৰ দীৰ্ঘদিনীয়া সমস্যাটো অহা ৩ মাহৰ ভিতৰত সমাধান কৰাৰ সিদ্ধান্ত লৈছে। আয়োগে কালি এটা বিবৃতিৰ জৰিয়তে এই কথা প্ৰকাশ কৰে। কাৰিকৰী দল আৰু সংশ্লিষ্ট মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে আলোচনাৰ অন্তত আয়োগে নকল ই পি আই চি নম্বৰ থকা ভোটদাতাসকলৰ বাবে এটা ৰাষ্ট্ৰীয় ই পি আই চি নম্বৰ সুনিশ্চিত কৰাৰ সিদ্ধান্ত লয়। এই অনন্য ই পি আই চি নম্বৰৰ জৰিয়তে এতিয়াৰে পৰা নিৰ্দিষ্ট ভোট কেন্দ্ৰত নাম উল্লেখ থকা ভোটদাতাইহে সেই ভোটকেন্দ্ৰত ভোটদান কৰিব পাৰিব। উল্লেখযোগ্য যে ৯৯ কোটিৰো অধিক ভোটদাতাই পঞ্জীয়ন কৰা ভাৰতবৰ্ষৰ ভোটদাতাৰ তালিকা হৈছে বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ ভোটদাতাৰ তথ্য সমৃদ্ধ তালিকা।

০০০০০০০

সমাপ্ত